সন্ত্রাসবাদ বিৰোধী সম্পৰ্কীয় ভাৰত-উজবেকিস্তান যৌথ কাৰ্যকৰী গোটৰ দশম বৈঠক

সন্ত্রাসবাদ বিৰোধী সম্পৰ্কীয় ভাৰত-উজবেকিস্তান যৌথ কাৰ্যকৰী গোটৰ দশম বৈঠক 22 অক্টোবৰ 2026 ত নতুন দিল্লীত অনুষ্ঠিত হৈছিল। এই বৈঠকখনত বৈদেশিক পৰিক্ৰমা মন্ত্রালয়ৰ অতিৰিক্ত সচিব (সন্ত্রাসবাদ বিৰোধী) ডঃ সুহেল এজাজ খান আৰু উজবেকিস্তান প্রজাতন্ত্রৰ বৈদেশিক পৰিক্ৰমা মন্ত্রালয়ৰ অধীনস্থ দক্ষিণ এছিয়া, নিকট, মধ্য প্রাচ্য আৰু আফ্রিকীয় দেশসমূহৰ সৈতে সহযোগিতা বিভাগৰ মুৰব্বী শ্রী পিৰিমকুলভ গুলমজন ছোদমনকুলভিচে যুটীয়াভাৱে পৌৰোহিত্য কৰে।

2. দুয়োপক্ষই গোলকীয়ভাৱে আৰু নিজ নিজ অঞ্চলত সন্ত্রাসবাদী গোটসমূহে সৃষ্টি কৰা ভাবুকিসমূহৰ বিষয়ে আলোচনা কৰে। দুয়োপক্ষই উগ্রবাদ আৰু মৌলবাদ প্রতিহত কৰা, সন্ত্রাসবাদৰ বিত্তীয় যোগানৰ বিৰুদ্ধে যুঁজ দিয়া, সন্ত্রাসবাদী উদ্দেশ্যত প্রযুক্তিৰ ব্যৱহাৰ ৰোধ কৰা আৰু আন্তঃৰাষ্ট্রীয় সংগঠিত অপৰাধ আৰু সন্ত্রাসবাদৰ মাজৰ সম্পৰ্ককে ধৰি সন্ত্রাসবাদ বিৰোধী কাৰ্যসূচীৰ বৰ্তমান আৰু উদীয়মান প্রত্যাহ্বানসমূহৰ বিষয়ে মতামত বিনিময় কৰে। দুয়োপক্ষই ৰাষ্ট্রীয় আৰু আঞ্চলিক নিৰাপত্তা ব্যৱস্থাৰ ভাবুকি আৰু প্রত্যাহ্বানসমূহ মোকাবিলা কৰাত সহযোগিতা কৰিবলৈ আৰু সন্ত্রাসবাদ বিৰোধী সম্পৰ্কীয় ভাৰত-উজবেকিস্তান যৌথ কাৰ্যকৰী গোটৰ গাঁথনি অধিক শক্তিশালী কৰিবলৈ সন্মত হয়।

3. দুয়োপক্ষই তথ্য আদান-প্রদান, ক্ষমতা বৃদ্ধি আৰু উত্তম কাৰ্যপদ্ধতিৰ বিনিময়ৰ মাধ্যমেৰে সন্ত্রাসবাদ বিৰোধী ক্ষেত্রখনত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ পদক্ষেপসমূহৰ বিষয়েও বিস্তৃতভাৱে আলোচনা কৰে। তেওঁলোকে ভাৰত আৰু উজবেকিস্তানৰ সংশ্লিষ্ট প্রতিষ্ঠানসমূহৰ মাজত সন্ত্রাসবাদৰ বিৰুদ্ধে যুঁজত সহযোগিতা গঢ়ি তোলাৰ সম্ভাৰনাসমূহৰ বিষয়ে আলোচনা কৰে। দুয়োপক্ষই ইউএন, এছচিঅ'-আৰএটিএছ আৰু ইএজিকে ধৰি বহুপাক্ষিক মঞ্চসমূহত সহযোগিতা শক্তিশালী কৰাৰ প্রতিশ্রুতি পুনৰ ব্যক্ত কৰে।

4. যৌথ কাৰ্যকৰী গোটৰ পৰৱৰ্তী বৈঠকখন পাৰস্পৰিক সুবিধা অনুযায়ী এক তাৰিখত উজবেকিস্তানত অনুষ্ঠিত হ'ব।

নতুন দিল্লী

অক্টোবৰ 22, 2026